# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 23-2-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

----------------------------

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতে এক সুকীয়া পৰিচয় গঢ়িবলৈ সমৰ্থ হৈছে। আজিৰ মন কী বাত অনুষ্ঠানত দেশবাসীক প্ৰশংসা কৰি কয়, যে ভাৰতৰ জনসাধাৰণ নতুন প্ৰযুক্তি গ্ৰহণ আৰু ইয়াৰ ব্যৱহাৰৰ প্ৰতি সদায় আগ্ৰহী। আন্তৰ্জাতিক নাৰী দিৱসৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ৮ মাৰ্চ দিনটো নাৰী শক্তিক প্ৰণাম জনোৱাৰ এটা বিশেষ দিন। ভাৰতীয় সংস্কৃতিত  কন্যা সন্তানক সন্মান জনোৱাটো এক পৰম্পৰা বুলিও তেওঁ উল্লেখ কৰে। আজিৰ অনুষ্ঠানত শ্ৰীমোদীয়ে মেদবহুলতাৰ বিষয়ে উল্লেখ কৰি কয়, যে এটা সুস্থ আৰু স্বাস্থ্যৱান জাতি হ'বলৈ মেদবহুলতাৰ দৰে সমস্যাৰ সমাধান কৰিবই লাগিব। তেওঁ মেদবহুলতা সমস্যা ৰোধ কৰিবলৈ খাদ্যাভাসত পৰিৱৰ্তন আনিবলৈ জনসাধাৰণৰ প্ৰতি  আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানৰ এয়া আছিল ১১৯ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ লগতে airnews ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে প্ৰচাৰ কৰা হৈছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিছে। আমাৰ কেন্দ্ৰই আজি নিশা ৮ বজাত এই অনুষ্ঠানটো পুনৰ প্ৰচাৰ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি নিশা ৮ বজাৰ মুখ্য বাতৰি প্ৰচাৰিত নহয়।

০০০

সমাগত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ভাগ লোৱাৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ এটা প্ৰতিনিধি দল আজি গুৱাহাটীত উপস্থিত হোৱাৰ কথা। জাপান, দক্ষিণ কোৰিয়া, থাইলেণ্ড, ছিংগাপুৰ, অষ্ট্ৰেলিয়া, জাৰ্মানী, ইটালী, ভূটানকে ধৰি ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধি দলটো আজি বিশেষ বিমানেৰে গুৱাহাটীত উপস্থিত হ'ব। দলটোৱে বিনিয়োগ সন্মিলনত অংশ লোৱাৰ পূৰ্বে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰিব। দলটোৱে অসম চৰকাৰৰ আমন্ত্ৰণ ৰক্ষা কৰি আজি কাজিৰঙাত নিশাটো কটাই কাইলৈ পুৱা ৰাষ্ট্ৰীয় উদ্যানখন হাতী আৰু জীপ ছাফাৰী কৰিব। এই উদ্দেশ্যে অতিথিসকলক আদৰিবলৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই কহঁৰা বনাঞ্চলৰ দুৱাৰমুখ সজাই পৰাই তোলা হৈছে। বিভাগীয় হাতীসমূহক চাফাৰীৰ  বাবে মাউতসকলে সাজু কৰিছে। ৰাষ্ট্ৰদূতসকলৰ এই কাজিৰঙা ভ্ৰমণে পৰ্যটকৰ ক্ষেত্ৰখনত অধিক মাত্ৰা প্ৰদান কৰিব বুলি সকলোৱে আশা কৰিছে। সাধাৰণ পৰ্যটকৰ বাবে কাইলৈ কহঁৰা বনাঞ্চলৰ জীপ আৰু হাতী চাফাৰী বন্ধ থাকিব যদিও বিয়লিৰ পৰা পুনৰ বনাঞ্চলখনত পৰ্যটকে চাফাৰী কৰিব পাৰিব বুলি উদ্যান কৰ্তৃপক্ষই আমাৰ গোলাঘাটৰ সংবাদাতাক জানিবলৈ দিয়ে।

০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নৰনাৰায়ণ নাথে চলিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সময়সূচীত কোনো পৰিৱৰ্তন হোৱা নাই বুলি স্পষ্ট কৰি দিছে। সামাজিক মাধ্যমত পৰীক্ষাৰ সময়সূচী পৰিৱৰ্তন হোৱা বুলি যি বাতৰি প্ৰকাশ পাইছে সেয়া ভুৱা বুলি সচিব শ্ৰীনাথে জানিবলৈ দিয়ে।

০০০

দৰং জিলাৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান জিপছী গিল্ডৰ উদ্যোগত গল্প নাটৰ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ অংশ হিচাপে আজি গিল্ডৰ ৰংগশালাত অপু ভৰদ্বাজ ৰচিত মূল গল্প **যা, গৈ আছো**ৰ আধাৰত ৰচিত এখন নাট মঞ্চস্থ কৰা হ'ব। লগতে কবি, সাহিত্যিক জীৱনানন্দ দাসৰ ১২৫ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি কবিগৰাকীৰ অপূৰ্ব সৃষ্টি **বনলতা সেন** নামৰ কবিতাটোৰ আবৃত্তি অনুষ্ঠানৰো আয়োজন কৰা হৈছে। বিশিষ্ট নাট্যকাৰ, পৰিচালক ডাঃ ধ্ৰুৱজ্যোতি চহৰীয়াই এই কবিতাটি আবৃত্তি কৰিব। একেদৰে **বনলতা সেন** সন্দৰ্ভত মৌচুমী বংশবনিকে আলোকপাত কৰিব।

জিলাখনৰ অগ্ৰণী সংস্থা জিপছী গিল্ডে দুদিনীয়াকৈ আয়োজন কৰা গল্প নাটৰ অনুষ্ঠানটোত কালি প্ৰথম নিশাৰ কাৰ্যসূচীত মনোজ কুমাৰ গোস্বামীৰ দ্বাৰা ৰচিত মূল গল্প **কিউৰ** আধাৰত নাট মঞ্চস্থ কৰে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৭ বাজি ৪৫ মিনিটত ইয়াৰ সংবাদ চলন্তিকা অনুষ্ঠানত গুৱাহাটী মহানগৰীত জীৱন সংগ্ৰামৰ আন এটা খণ্ড প্ৰচাৰ কৰিব। তথাকথিত সৰু সৰু মানুহৰ জীৱন সংগ্ৰামৰ বিষয়ে শুনিবলৈ পাব। অনুষ্ঠানটোৰ প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০

গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত কাইলৈ হ'বলগীয়া ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী**ৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদ্‌যাপনৰ উদ্দেশ্যে কাইলৈ বিয়লি ৪ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত হ'বলগীয়া এই অভিনৱ অনুষ্ঠানৰ চূড়ান্ত আখৰা আজি সন্ধিয়া ৰাজ্যৰ জনসাধাৰণে উপভোগ কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি আখৰাস্থলী পৰিদৰ্শন কৰি অনুষ্ঠানৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ লয়।

সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত অংশ লোৱা প্ৰতিগৰাকী শিল্পীক ২৫ হাজাৰ টকাকৈ আৰু বিশেষজ্ঞ দলৰ প্ৰতিজন সদস্যক ৩০ হাজাৰ টকাকৈ দিয়া হ'ব বুলি ঘোষণা কৰে। তদুপৰি চাহ বাগিছাৰ ভিতৰত সাংস্কৃতিক কাৰ্যকলাপ প্ৰচাৰৰ বাবে সংঘ স্থাপন কৰিবলৈ প্ৰতিখন চাহ বাগিছালৈ ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ৰাজ্যৰ প্ৰায় ৯ হাজাৰ শিল্পীয়ে ভাগ লোৱা এই অনুষ্ঠান সফল কৰি তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই অহা প্ৰতিগৰাকী শিল্পী আৰু কলাকুশলীক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে।

০০০

সমাপ্ত